যিসকল লোকে কোনো বৈঠকৰ পৰা আল্লাহক স্মৰণ (তথা জিকৰ-আজকাৰ পাঠ) নকৰাকৈ উঠে, সিহঁতে যেনিবা মৰা গাধৰ শৱদেহৰ পৰা উঠে। (কিয়ামতৰ দিনা) এইটো সিহঁতৰ বাবে অনুতাপৰ কাৰণ হ'ব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিসকল লোকে কোনো বৈঠকৰ পৰা আল্লাহক স্মৰণ (তথা জিকৰ-আজকাৰ পাঠ) নকৰাকৈ উঠে, সিহঁতে যেনিবা মৰা গাধৰ শৱদেহৰ পৰা উঠে। (কিয়ামতৰ দিনা) এইটো সিহঁতৰ
বাবে অনুতাপৰ কাৰণ হ'ব।" [ছহীহ] [(আবু দাঊদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যিসকল লোকে কোনো বৈঠকত বহে আৰু সেই বৈঠকত আল্লাহক স্মৰণ নকৰাকৈ উঠি যায়, সিহঁতৰ উদাহৰণ হৈছে এনেকুৱা লোকৰ দৰে যিসকলে গাধৰ মৰা শৱৰ ওচৰত একত্ৰিত হয়, য'ত গেলা পচা ময়লা আৱৰ্জনা থাকে। কাৰণ সিহঁতে আল্লাহৰ স্মৰণৰ পৰা কথা বতৰাত ব্যস্ত হৈ আছিল। লগতে এনেকুৱা বৈঠক কিয়ামতৰ দিনা সিহঁতৰ বাবে অনুতাপ তথা ক্ষয়-ক্ষতিৰ কাৰণ হ'ব।

https://sunnah.global/hadeeth/as/show/3910